# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 19-10-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
# *HEADLINES*

**- - - - - - - - - - - - - - -**

১। ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি।

২। উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আইন শৃংখলা পৰিস্থিতি অটুত ৰখাৰ বাবে সমষ্টিকেইটাত ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা অনুযায়ী নিষেধাজ্ঞা আৰোপ।

৩। দুদিনীয়া ভ্ৰমণসূচীৰে চৰাইদেউ জিলালৈ অহা কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু যোগাযোগ ৰাজ্য মন্ত্ৰী ডাঃ পেন্মাছানী চন্দ্ৰশেখৰৰ আজি বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদামস্থলী ভ্ৰমণ।

৪। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতিৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণৰ উদ্দেশ্যেৰে বিদেশ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ দুদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়ালৈ যাত্ৰা। **আৰু**

৫। বাংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতৰ নিউজিলেণ্ডক জয়ৰ বাবে ১০৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০

ৰাজ্যৰ ৫টা সমষ্টিৰ সমাগত উপ নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। শাসনাধিস্থিত বিজেপি মিত্ৰজোটকে ধৰি অন্যান্য দলসমূহে নিজ নিজ প্ৰাৰ্থী বাচনিৰ বাবে বৈঠক অনুষ্ঠিত কৰি আলোচনা অব্যাহত ৰাখিছে। এই সন্দৰ্ভত অধিক জনাইছে আমাৰ আকাশবাণীৰ সংবাদদাতা মানস প্ৰতীম শৰ্মাই ঃ

**বাইট**

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে কালি অধিসূচনা জাৰি কৰাৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। উল্লেখযোগ্য যে ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৫টা সমষ্টিত সৰ্বমুঠ ৯ লাখ ১০ হাজাৰ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব। নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটাত মুঠ এহেজাৰ ৭৮টা ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। এই পাঁচোটা সমষ্টিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে থকা অঞ্চলসমূহ সামৰি এই নিৰ্বাচন অনুষ্ঠিত হ'ব।

চামগুৰি বিধানসভা সমষ্টিত হবলগীয়া উপ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নগাঁও জিলাৰ ছপাশালসমূহত পুস্তিকা, পোষ্টাৰ আদি ছপাৰ ক্ষেত্ৰত জনপ্ৰতিনিধিত্ব আইন ১৯৫১ ৰ ১২৭ (ক) ধাৰাত থকা নিষেধাজ্ঞা সমূহ মানি চলিবলৈ নিৰ্দেশ দিয়া হৈছে। জিলা দণ্ডাধীশ তথা জিলা নিৰ্বাচনী বিষয়াই এই ক্ষেত্ৰত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি কোনো ব্যক্তিয়ে ছপাকাৰী আৰু প্ৰকাশকৰ নাম-ঠিকনা অবিহনে কোনো পুস্তিকা

বা পোষ্টাৰ ছপা কৰিব নোৱাৰিব। তদুপৰি ৰাজনৈতিক দল বা প্ৰতিদ্বন্দিতা আগবঢ়োৱা প্ৰাৰ্থীৰ দ্বাৰা নিৰ্বাচন আয়োগ আৰু জিলা প্ৰশাসনৰ আগতীয়া অনুমতি অবিহনে জনসমাগম, শোভাযাত্ৰা, ৰাজহুৱা সভা আদি অনুষ্ঠিত কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। পূৰ্বে অনুমতি ল'লেও কোনো দল অথবা প্ৰাৰ্থীয়ে নিশা দহ বজাৰ পাছত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব। একেদৰে উচতনিমূলক, সাম্প্ৰদায়িক, ৰাষ্ট্ৰবিৰোধী, জাতীয়তা বিৰোধী, ভাষণ বা শ্লোগান, আপত্তিজনক আৰু বিভিন্ন বৰ্ণ ভাষিক বা ধৰ্মীয় গোটক আঘাত হানিব পৰা বিষয় লৈ যুগুত কৰা বেনাৰ পোষ্টাৰ আদিও নিষিদ্ধ কৰা হৈছে। যিকোনো উদ্দেশ্যৰ বাবে অনুদান সংগ্ৰহ, আগ্নেয়াস্ত্ৰ, বিস্ফোৰক সামগ্ৰী আদি কঢ়িয়াই নিয়াৰ ক্ষেত্ৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে আইন প্ৰয়োগকাৰী কৰ্মী, চৰকাৰী বিষয়া-কৰ্মচাৰী আদিৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহ'ব। একেদৰে জিলাখনৰ দণ্ডাধীশৰ এটা সুকীয়া নিৰ্দেশ অনুসৰি জিলাখনত বলবৎ হৈ থকা আৰ্হি আচৰণ বিধিৰ পৰিপ্ৰেক্ষিতত অনুজ্ঞাপত্ৰ থকা আগ্নেয়াস্ত্ৰসমূহ স্থানীয় থানাত জমা দিবলৈ সংশ্লিষ্ট ব্যক্তিসকললৈ নিৰ্দেশ জাৰি কৰা হৈছে। এই নিৰ্দেশ অমান্য কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ নিৰ্দিষ্ট ধাৰা অনুসৰি আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰি নিৰ্বাচনৰ ফলাফল ঘোষণাৰ এসপ্তাহৰ পাছত অস্ত্ৰসমূহ ঘুৰাই দিয়া হ'ব বুলি লগতে কোৱা হৈছে।

ইপিনে, জিলাখনত উপ নিৰ্বাচনৰ সময়ত আইন শৃংখলা পৰিস্থিতি অটুত ৰখাৰ বাবে এটা নিয়ন্ত্ৰণ কোষ স্থাপন কৰা হৈছে। এই কোষৰ টোল ফ্ৰি নম্বৰ ১০৭৭ আৰু লেণ্ডলাইন নম্বৰ ০৩৬৭ ২৩৮০০০ লৈ ফোন কৰি জনসাধাৰণে নিৰ্বাচনী প্ৰক্ৰিয়াক লৈ ওজৰ আপত্তি থাকিলে দাখিল কৰিব পাৰিব।

০০০০০

ৰাজ্য চৰকাৰে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালন কৰিব। এই সপ্তাহৰ কাৰ্যসূচী হিচাপে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আৰু নাগৰিক সমাজৰ সংগঠনসমূহৰ সহায়ত অসমীয়া সাহিত্যিক, পণ্ডিতসকলৰ অৱদানক সন্মান জনোৱা হ'ব। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান আৰু সমাজক ঐক্যবদ্ধ কৰাত ভাষাৰ অমূল্য অৱদানৰ উদ্‌যাপনৰ উদ্দেশ্যে এই সপ্তাহ পালন কৰা হব।

উল্লেখযোগ্য যে যোৱা ৩ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছিল। এই স্বীকৃতি উদযাপনৰ বাবে অসমীয়া ভাষা উত্তৰণৰ দিশত অৰিহণা আগবঢ়োৱা সাহিত্যিক আৰু পণ্ডিতসকলৰ সৃষ্টি কৰ্মৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তদুপৰি এই সপ্তাহৰ উদযাপনৰ অংশ হিচাপে আমাৰ জনজাতীয় ভাষা আৰু সংস্কৃতিৰ বিকাশ আৰু সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে অন্য মাতৃ ভাষাসমূহৰ সংবৰ্ধনৰ বাবেও কাম কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

**বাইট ঃঃ মুখ্যমন্ত্ৰী**

ইপিনে, অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ বাবে প্ৰধানমন্ত্ৰীলৈ কৃতজ্ঞতাসূচক বাৰ্তাৰ পত্ৰ প্ৰেৰণ কৰিবলৈ ৰাজ্যিক কেবিনেটে প্ৰস্তাৱ লৈছিল। এই প্ৰস্তাৱৰ প্ৰতি সন্মান জনাই আজি অসম সাহিত্য সভাই প্ৰধানমন্ত্ৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে।

ভাষা গৌৰৱ সপ্তাহ পালন কৰা সন্দৰ্ভত আজি যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। এই সভাত সকলো শিক্ষানুষ্ঠান, বেচৰকাৰী সংস্থা, ৰাজহুৱা কাৰ্যালয়, সমিতি, সাহিত্য, সংগঠন আদিক এই সপ্তাহৰ কাৰ্যসূচী লবলৈ আহ্বান জনোৱা হৈছে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত চাইবাৰ সুৰক্ষা সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তা সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে চৰাইদেউ জিলালৈ অহা কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু যোগাযোগ বিভাগৰ ৰাজ্য মন্ত্ৰী ডাঃ পেম্মাছানী চন্দ্ৰশেখৰে আজি বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতি পোৱা চৰাইদেউ মৈদামস্থলী ভ্ৰমণ কৰে। মৈদামক্ষেত্ৰত উপস্থিত হৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৬০০ বছৰীয়া আহোম ৰাজত্বকালৰ গৌৰৱময় ঐতিহ্য বহন কৰা কীৰ্তিচিহ্নসমূহ পৰিদৰ্শন কৰি আপ্লুত হয়। ইয়াৰ পূৰ্বে ডাঃ চন্দ্ৰশেখৰে জিলাখনৰ বিভিন্ন ঠাইত চৰকাৰী আঁচনিসমূহ পৰিদৰ্শন কৰে। সোণাৰী উন্নয়ন খণ্ডৰ ভজোত অমৃতসৰোবৰ পৰিদৰ্শন কৰি বিভাগীয় কৰ্তৃপক্ষৰ লগত মত বিনিময় কৰাৰ লগতে বিভিন্ন আত্মসহায়ক গোটৰ মহিলা তথা জবকাৰ্ড শ্ৰমিকৰ লগতো বাৰ্তালাপ কৰে। সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে কয়-

**বাইট**

০০০০০

বিদেশ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আজি দুদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়ালৈ যাব। তেওঁ কাইলৈ দেশখনৰ ৰাজধানী জাকাৰ্টাত ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰত আৰু ইণ্ডোনেছিয়াই এইবছৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ আৰু ভাৰতৰ পূব এছিয়াৰ দেশসমূহক গুৰুত্ব প্ৰদানৰ এক্ট ইষ্টৰ নীতিৰ এটা দশক সম্পূৰ্ণ হোৱাৰ উদযাপন কৰিছে। ইণ্ডোনেছিয়া এক্ট ইষ্টৰ নীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। বিদেশ মন্ত্ৰালয়ে কৈছে যে শপতগ্ৰহণ অনুষ্ঠানত শ্ৰীমাৰ্ঘেৰিটাৰ অংশগ্ৰহণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে।

০০০০০

অসম লোকসেৱা আয়োগে আজি ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰে। এই ফলাফল অনুসৰি মূল পৰীক্ষাত ৭১১ গৰাকী প্ৰাৰ্থীয়ে উত্তীৰ্ণ হ'বলৈ সমৰ্থ হৈছে। উত্তীৰ্ণ পৰীক্ষাৰ্থীসকলৰ বাবে আয়োগে অহা ১৩ নৱেম্বৰৰ পৰা মৌখিক সাক্ষাৎকাৰৰ অনুষ্ঠিত কৰিব। উল্লেখযোগ্য যে লোকসেৱা আয়োগে অসম অসামৰিক সেৱা, অসম আৰক্ষী সেৱা, অন্যান্য সংলগ্ন সেৱাকে ধৰি মুঠ ২৩৫টা পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল। এই বিজ্ঞাপনৰ ভিত্তিত প্ৰাৰম্ভিক পৰীক্ষাত ৫০ হাজাৰৰো অধিক প্ৰাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰ ২ হাজাৰ ৮৯৮ গৰাকী প্ৰাৰ্থী প্ৰাৰম্ভিক পৰীক্ষাৰ ফলাফলত মূল পৰীক্ষালৈ উত্তীৰ্ণ হ'বলৈ সমৰ্থ হৈছিল। ইয়াৰ পাছত অনুষ্ঠিত কৰা মূল পৰীক্ষাৰ আজি ঘোষণা কৰা ফলাফলত ৭১১ গৰাকী প্ৰাৰ্থী সাক্ষাৎকাৰৰ বাবে নিৰ্বাচন কৰা হৈছে। আয়োগৰ উচ্চস্তৰীয় সূত্ৰই জনোৱা অনুসৰি মৌখিক সাক্ষাৎকাৰৰ অন্তত ডিচেম্বৰৰ প্ৰথম সপ্তাহত চূড়ান্ত ফলাফল ঘোষণা হোৱাৰ সম্ভাৱনা আছে।

০০০০০

আত্মনিৰ্ভৰ ভাৰত শ্ল'গানেৰে দেশৰ হস্ততাঁত শিল্পীসকলক উৎসাহিত কৰাৰ লগতে উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে এখন উন্নত বজাৰ সৃষ্টি কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে বৰপেটাত এখন বস্ত্ৰ মেলা অনুষ্ঠিত হৈছে। বৰপেটা পৌৰসভাৰ খেলপথাৰত অনুষ্ঠিত এই ৰাজ্যিক হস্ততাঁত

বস্ত্র মেলাখন ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদ আৰু ৰাভা হাছং ক্ষেত্ৰীয় হস্ততাঁত তথা হস্তশিল্প সমবায় সমিতিৰ উদ্যোগত আয়োজন কৰা হৈছে। মেলাখনত অসমৰ লগতে হাৰিয়ানা, পঞ্জাব, উত্তৰ প্ৰদেশ, বিহাৰ, জম্মু-কাশ্মীৰ আৰু নাগালেণ্ডকে ধৰি দেশৰ কেইবাখনো ৰাজ্যৰ শিল্পীসকলে অংশগ্ৰহণ কৰিছে। উৎপাদিত সামগ্ৰীসমূহ মেলাত প্ৰদৰ্শন কৰাৰ লগতে বিক্ৰীৰো ব্যৱস্থা কৰা হৈছে। অহা ২৩ অক্টোবৰলৈকে চলিবলগীয়া মেলাখনত কমেও এক কোটি ২০ লাখ টকা মূল্যৰ সামগ্ৰী বিক্ৰীৰ লক্ষ্য লোৱা হৈছে বুলি আয়োজকসকলে জানিবলৈ দিছে। ৰাভা হাছং ক্ষেত্ৰীয় হস্ততাঁত তথা হস্তশিল্প সমবায় সমিতিৰ পৰিচালন সঞ্চালকে মেলাখনে হস্ততাঁত শিল্পীসকলৰ কাৰণে এখন বজাৰ সৃষ্টি কৰিব বুলি মন্তব্য কৰিছে।

০০০০০

বিজয়া ৰাহাটকাৰক ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। এই সন্দৰ্ভত মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে এখন অধিসূচনা জাৰি কৰিছে। ইয়াৰ পূৰ্বে শ্ৰী ৰাহাটকাৰে মহাৰাষ্ট্ৰ ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষ আৰু ঔৰংগবাদৰ মেয়ৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ লগতে তেওঁ বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদক আৰু মহিলা শাখাৰ সভানেত্ৰী হিচাপে কাম কৰিছিল। মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে ড০ অৰ্চনা মজুমদাৰকো ৰাষ্ট্ৰীয় মহিলা আয়োগৰ সদস্য হিচাপে নিযুক্তি দিয়া হৈছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে।

০০০০০

চৰাইদেউ জিলাৰ কৃষকসকলৰ সুবিধাৰ্থে আজিৰে পৰা ২৫ অক্টোবৰলৈ প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ পৰিপূৰ্ণতা অভিযান ৰূপায়ণ কৰা হৈছে। জিলাখনত এই আঁচনিৰ সুবিধা এতিয়ালৈ লাভ নকৰা নাইবা এই আঁচনিৰ সুফল লাভ কৰাত সমস্যাৰ সন্মুখীন হোৱা কৃষকসকলৰ সুবিধাৰ্থে বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে। যিসকল কৃষকে অনলাইন আবেদন কৰি সংযোজন এক প্ৰপত্ৰখন যাৱতীয় নথিপত্ৰৰ সৈতে জমা দিয়া নাই তেঁওলোকক এই শিবিৰত জমা দিবলৈ অনুৰোধ জনোৱা হৈছে। নিৰ্ধাৰিত সময়ৰ ভিতৰত নথিপত্ৰ জমা নিদিয়া কৃষকসকলক অযোগ্য হিচাপে ঘোষণা কৰা হ'ব। উল্লেখযোগ্য যে কৃষি বিভাগৰ সহযোগত গাওঁ পঞ্চায়ত সমূহত ২৫ অক্টোবৰলৈ চলিবলগীয়া শিবিৰসমূহত কৃষকসকলে মাটিৰ জমাবন্দি, ই-কে ৱাই চি আদিৰ বাবে আবেদন পত্ৰ নাইবা প্ৰপত্ৰ জমা দিব পাৰিব। ইয়াৰ ফলত কৃষকসকলে কিষাণ সন্মান নিধিৰ পৰৱৰ্তী কিস্তিসমূহ সহজে লাভ কৰিবলৈ সমৰ্থ হব।

০০০০০

নিউজিলেণ্ডৰ বিৰুদ্ধে বাংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে নিউজিলেণ্ডক জয়ৰ বাবে ১০৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আজি চতুৰ্থ দিনা ভাৰতে ৪৬২ ৰানত নিজৰ দ্বিতীয় ইনিংছ সামৰে। সম্প্ৰতি ভাৰত নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ১০৬ ৰানত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে ভাৰতীয় বেটছমেন ছৰফৰাজ খানৰ ১৫০ ৰানৰ অনবদ্য প্ৰদৰ্শনৰ পাছত ঋষভ পণ্ট ৯৯ ৰানত দুৰ্ভাগ্যজনকভাৱে আউট হয়।

উল্লেখযোগ্য যে প্ৰথম ইনিংছত ভাৰতৰ শোচনীয় ৪৬ ৰানৰ প্ৰদৰ্শনৰ পাছত কালি আলহী দলটোৱে ৪০২ ৰানত প্ৰথম ইনিংছ সামৰে।

০০০০০

নিখিল বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত **বডোফা মিছন ফৰ ছাষ্টেইনেবল চেঞ্জ** শীৰ্ষক ১৩ বছৰ অনূৰ্ধৰ ল'ৰা আৰু ছোৱালী ফুটবল প্ৰতিযোগিতাৰ কেন্দ্ৰীয় পৰ্যায়ৰ খেলসমূহ আজি অনুষ্ঠিত হয়। বাক্সা জিলাৰ সদৰত থকা মুছলপুৰ উচ্চতম মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত চূড়ান্ত পৰ্যায়ৰ খেলত ল'ৰাৰ শাখাত

কাৰ্বি আংলং জিলাৰ ফুটবল দলে কোকৰাঝাৰ ফুটবল দলক ১-০ গলত পৰাস্ত কৰে। ছোৱালীৰ শাখাত কোকৰাঝাৰ জিলাৰ ফুটবল দলে ওদালগুৰি জিলাৰ ফুটবল দলক ট্ৰাইবেকাৰৰ জৰিয়তে ৩-২ গলৰ ব্যৱধানত পৰাজিত কৰি প্ৰতিযোগিতাত বিজয় সাব্যস্ত কৰে। বিজয়ী দলক ট্ৰফীসহ নগদ ৫০ হাজাৰ টকা আৰু বিজিত দলক ট্ৰফীসহ নগদ ৩০ হাজাৰ টকাৰ বঁটা প্ৰদান কৰা হয়। ল'ৰাৰ শাখাত কাৰ্বি আংলঙৰ নীলপল ৰামছিয়াৰীক আৰু ছোৱালীৰ শাখাত ৰশ্মী বসুমতাৰীক শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি বি টি আৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে গ্ৰামাঞ্চলৰ খেলুৱৈৰ সুবিধাৰ বাবে বি টি আৰ চৰকাৰে বি টি চিৰ অন্তৰ্গত প্ৰতিটো পৰিষদীয় সমষ্টিত এখনকৈ ষ্টেডিয়ামৰ কাম হাতত লোৱা বুলি জানিবলৈ দিছে। অনুষ্ঠানত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ ৰণগৌৰা নাৰ্জাৰী, বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়োকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ooooo

শিৱসাগৰ জিলাৰ শলগুৰি নিবাসী শিক্ষাবিদ আৰু সাহিত্যিক খগেন্দ্ৰ নাথ ভূঞাৰ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮৬ বছৰ। শিৱসাগৰ চৰকাৰী উচ্চতম মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰয়াত ভূঞা ৰংপুৰ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আছিল। তেওঁৰ মৃত্যুত জিলাখনৰ বিভিন্ন দল-সংগঠন আৰু ব্যক্তিয়ে শোক প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত